# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ২২ জানুৱাৰী ২০২১ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী হজৰত উচমান (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান বৰ্দ্ধক বৰ্ণনা।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ اَمَّا بَعْدُ فَاَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি মই হজৰত উচমান (ৰাঃ)ৰ পৱিত্ৰ জীৱন সম্পৰ্কে বৰ্ণনা কৰিবলৈ আৰম্ভ কৰিম। হজৰত উচমান (ৰাঃ)ৰ বিষয়ে প্ৰথম কথাটো হ'ল যে এখেত (ৰাঃ)য়ে নিজে বদৰৰ যুদ্ধত অংশ গ্ৰহণ কৰা নাছিল। তথাপি এখেত (ৰাঃ) সেই আঠজন সৌভাগ্যশীল চাহাবৰ মাজত অন্তৰ্ভুক্ত হৈছিল; যিসকলক নবী কৰীম (ছাঃ)য়ে বদৰৰ যুদ্ধৰ মালে গণিমত (যুদ্ধ ক্ষেত্ৰত পৰিত্যাক্ত শত্ৰুসকলৰ পক্ষৰ ধন-মাল)ৰ পৰা অংশ দি যুদ্ধত অংশ গ্ৰহণকাৰী হিচাপে ধৰি লৈছিল। হজৰত উচমান (ৰাঃ)ৰ বংশ পৰিচয় আছিল এনে ধৰণৰ হজৰত উচমান বিন আফফান বিন কাচি বিন কালাব। এনেদৰে আগুৱাই গৈ হজৰত উচমান (ৰাঃ)ৰ বংশ বৃক্ষ হজৰত ৰছুলুল্লাহ (ছাঃ)ৰ বংশ বৃক্ষৰ পঞ্চম পুৰুষত গৈ আবদে মান্নাফৰ লগত মিলিছে।হজৰত উচমান (ৰাঃ)ৰ নানি আইতা নবী (ছাঃ)ৰ পিতৃ হজৰত আব্দুল্লাহৰ সহোদৰ ভনী আছিল। হজৰত উচমান (ৰাঃ)ৰ মাতৃ আৰোৱাহ বিনতে কৰেজ হুদায়বিয়াৰ সন্ধিৰ পিছত ইছলাম গ্ৰহণ কৰিছিল। তাৰ পিছত মক্কাৰ পৰা হিজৰত কৰি মদিনালৈ গুচি যায় আৰু নিজৰ পুত্ৰ হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত মৃত্যুৰ সময়লৈকে মদিনাতে থাকিছিল। হজৰত উচমান (ৰাঃ)ৰ পিতৃ জাহিলিয়তৰ যুগতেই মৃত্যু বৰণ কৰিছিল। নবী কৰীম (ছাঃ)ৰ জীয়েক হজৰত ৰুকিয়া (ৰাঃ) যুদ্ধ কালীন অৱস্থাত মৃত্যু বৰণ কৰিছিল। সেয়ে আঁ-হজৰত (ছাঃ)য়ে নিজৰ আন এজনী জীয়েক হজৰত উম্মে কুলছুম (ৰাঃ)ক হজৰত উচমান (ৰাঃ)লৈ বিয়া দিছিল। যাৰ কাৰণে হজৰত উচমান (ৰাঃ)ক জিন্নুৰাইন বুলি আখ্যা দিয়া হয়।

হজৰত উচমান (ৰাঃ)য়ে আম-উল ফিলৰ ছয় বছৰ পিছত মক্কাত জন্ম গ্ৰহণ কৰিছিল। এখেত (ৰাঃ) হজৰত ৰছুলে কৰীম (ছাঃ)তকৈ বয়সত প্ৰায় পাঁচ বছৰ মান সৰু আছিল। হজৰত উচমান (ৰাঃ)ৰ ইছলাম গ্ৰহণ সম্পৰ্কে বৰ্ণনা আছে যে এবাৰ হজৰত উচমান বিন আফফান আৰু হজৰত তালহা বিন আব্দুল্লাহ দুয়ো ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হয়। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে এওঁলোক দুয়োজনকে ইছলামৰ সংবাদ দি কোৰ-আন কৰীম পাঠ কৰি শুনায় আৰু ইছলামৰ অধিকাৰ সম্পৰ্কে জনায় আৰু তেওঁলোকক আল্লাহ তা'লাৰ ফালৰ পৰা লাভ কৰিব পৰা মান সন্মানৰ প্ৰতিশ্ৰুতি দিয়ে। উক্ত সংবাদ শুনি হজৰত উচমান আৰু হজৰত তালহা দুয়োজনে ইছলাম গ্ৰহণ কৰিছিল আৰু আঁ-হজৰত (ছাঃ)ৰ সত্যায়ন কৰিছিল। হজৰত উচমান (ৰাঃ)ৰছুলুল্লাহ (ছাঃ)য়ে দাৰে আৰকামত প্ৰৱেশ কৰাৰ আগতে প্ৰথামিক অৱস্থাতে ইছলাম গ্ৰহণ কৰোঁতা সকলৰে এজন আছিল।

ইছলাম গ্ৰহণ কৰাৰ পিছত এখেত সকলৰ ওপৰত অত্যাচাৰও কৰা হৈছিল। মুছা বিন মহম্মদ নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে যেতিয়া হজৰত উচমান বিন আফফান ইছলাম গ্ৰহণ কৰিছিল তেতিয়া তেখেতৰ খুৰা হাকম বিন আবুল আচ বিন উমিয়া তেখেতক ধৰি আনি ৰছীৰে বান্ধি থৈছিল আৰু কৈছিল যে তুমি নিজৰ পুৰ্বপুৰুষৰ (বাপ-দাদাৰ) ধৰ্ম এৰি এটা নতুন ধৰ্মত দীক্ষা লৈছা, খোদাৰ কছম ! মই তোমাক কেতিয়াও এৰি নিদিও; যেতিয়ালৈকে তুমি তোমাৰ এই নতুন ধৰ্ম ত্যাগ নকৰা। তেতিয়া হজৰত উচমান (ৰাঃ)য়ে কৈছিল খোদাৰ কছম ! মই এই ধৰ্ম কেতিয়াও এৰি নিদিও আৰু ইয়াৰ পৰা পৃথক হৈ নাযাওঁ। হাকম বিন আবুল আচে বাধ্য হৈ এখেত (ৰাঃ)ক এৰি দিছিল।

আঁ-হজৰত (ছাঃ)ৰ জীয়েক (চাহাবজাদি) হজৰত ৰুকিয়াৰ বিয়া হজৰত উচমান (ৰাঃ)ৰ সৈতে মক্কাতে হৈ গৈছিল। হজৰত উচমান (ৰাঃ)য়ে তাইক লগত লৈ হাবশাৰ ফালে হিজৰত কৰিছিল। হজৰত ৰুকিয়া আৰু হজৰত উচমান (ৰাঃ) দুয়ো সৌন্দৰ্যৰ বেলিকা অন্যতম উদাহৰণ স্বৰূপ আছিল। গতিকে কোৱা হয় যে اَحْسَنَ زَوْجَيْنِ رَاٰهُمَا اِنْسَانٌ رُقَيَّةَ وَزَوْجُهَا عُثْمَان আটাইতকৈ সুন্দৰ দম্পত্তি যদি কোনোবায় দেখিছে তেন্তে সেয়া হ'ল হজৰত ৰুকিয়া আৰু তাইৰ পতি হজৰত উচমান।

আব্দুৰ ৰহমান বিন উচমান কুৰেছিৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ) য়ে নিজৰ জীয়েকৰ ঘৰলৈ গৈ দেখিছিল যে তাই হজৰত উচমানৰ মূৰ ধুই দি আছে। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল হে মোৰ জীয়ৰি! আবু আব্দুল্লাহৰ সৈতে ভাল আচৰণ কৰি থাকিবা; এওঁৰ মোৰ চাহাবা সকলৰ মাজত চাৰিত্ৰিক গুণাৱলীৰ ক্ষেত্ৰত নিশ্চয় মোৰ সৈতে আটাইতকৈ বেছি সাদৃশ্য আছে। ৰছুলুল্লাহ (ছাঃ)ৰ চাহাবা সকলে যিবোৰ পৰীক্ষাৰ সন্মুখীন হৈছিল আৰু যিবোৰ অত্যাচাৰ উৎপীড়ন তেওঁলোকৰ ওপৰত হৈছিল; সেয়া অৱলোকন কৰি আঁ-হজৰত (ছাঃ)য়ে তেওঁলোকক কৈছিল যদি তোমালোকে হাবশাৰ সমতল ভূমিলৈ যোৱা তেন্তে তাত এনে এজন বাদশাহ আছে যাৰ শাসনত কোনো অন্যায় অত্যাচাৰ নাই আৰু সেয়া হ'ল সত্য সন্নিবিষ্ট ভূমি। এই কথাখিনি শুনি ৰছুলুল্লাহ (ছাঃ)ৰ চাহাবী সকলে হাবশালৈ হিজৰত কৰিছিল আৰু এয়াই আছিল ইছলামত হোৱা প্ৰথম হিজৰত। হাবশালৈ কৰা প্ৰথম হিজৰত কৰা চাহাবা সকলৰ মাজত হজৰত উচমান বিন আফফান (ৰাঃ)য়ে নিজৰ পত্নী হজৰত ৰুকিয়া (ৰাঃ)ক লগত লৈ গৈছিল।

হজৰত ছাআদ বৰ্ণনা কৰিছে যে যেতিয়া হজৰত উচমান বিন আফফান (ৰাঃ)য়ে হাবশাৰ ভূমিলৈ হিজৰত কৰাৰ সিদ্ধান্ত লৈছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে তেখেতক কৈছিল ৰুকিয়াকও লগত লৈ লোৱা; মোৰ ধাৰণা হয় যে তোমালোকে দুজনৰ প্ৰত্যেকেই এজনে আনজনৰ মনোবল বৃদ্ধি কৰিব পাৰিবা। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল হে আবু বক্কৰ ! হজৰত লুত আৰু হজৰত ইব্ৰাহিমৰ পিছত এই দুজন অৰ্থাৎ উচমান আৰু ৰুকিয়া হিজৰতকাৰী সকলৰ মাজত সৰ্বপ্ৰথম হিজৰতকাৰী হ'ব।

হাবশাৰ পৰা উভতি অহাৰ ঘটনা বৰ্ণনা কৰা আছে। যেতিয়া কিছু সংখ্যক চাহাবা কুৰাইছ সকলে ইছলাম গ্ৰহণ কৰাৰ ভুল সংবাদ শুনি মক্কালৈ ওভতি আহে তেতিয়া হজৰত উচমান (ৰাঃ)য়েও মক্কালৈ ওভতি আহিছিল। ইয়াতে আহি উপস্থিত হৈ জানিব পাৰিছিল যে খবৰটো সম্পূৰ্ণ ভুৱা। সেয়ে আকৌ কিছু সংখ্যক চাহাবা হাবশালৈ ঘূৰি গৈছিল কিন্তু হজৰত উচমান (ৰাঃ) মক্কাতে ৰৈ গৈছিল। এনেতে লাহে লাহে মদিনাৰ ফালে হিজৰত কৰাৰ উপায় ওলাই আহিছিল। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে নিজৰ চাহাবা সকলক মদিনাৰ ফালে হিজৰত কৰাৰ নিৰ্দেশ দিছিল। তেতিয়া হজৰত উচমান (ৰাঃ)য়ে নিজৰ পৰিয়াল বৰ্গ লৈ মদিনালৈ গুচি গৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ মদিনাৰ ফালে হিজৰত আৰু ভাতৃত্ব বন্ধনৰ

এনেদৰে উল্লেখ থকা পোৱা যায়। যেতিয়া হজৰত উচমান (ৰাঃ)মক্কাৰ পৰা মদিনালৈ হিজৰত কৰিছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত উচমান আৰু হজৰত আব্দুৰ ৰহমান বিন আউফৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিয়ে। আন এটা ৰিৱায়ত অনুসৰি হজৰত উচমান (ৰাঃ)ৰ ভাতৃত্ব বন্ধন নবী কৰীম (ছাঃ)য়ে নিজৰ সৈতে স্থাপন কৰিছিল। গতিকে তবকাতে কুবৰাত লিখা আছে যে যেতিয়া হজৰত উচমান (ৰাঃ)ক শত্রুসকলে ঘৰ এটাত বন্দী কৰি লৈছিল তেতিয়া এখেত (ৰাঃ)য়ে এটা ওখ কোঠালিৰ খিৰিকিৰে দেউ দি চাই লোকক সুধিছিল, কিয়! তোমালোকৰ মাজত তালহা আছে নে ? তেওঁলোকে কৈছিল হয় আছে। হজৰত উচমান (ৰাঃ)য়ে মুহাজিৰিণ আৰু আনছাৰ সকলৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিয়াৰ সময়তে তেখেত (ছাঃ)য়ে মোৰ লগত ভাতৃত্ব সম্পৰ্ক ৰচিত কৰিছিল। কথাবোৰ শুনি হজৰত তালহা (ৰাঃ)য়ে কৈছিল যে আল্লাহৰ কছম! কথাখিনি সত্য।

হজৰত উচমান (ৰাঃ)আৰু হজৰত উম্মে কুলছুমৰ বিবাহৰ ঘটনা এনেদৰে উল্লেখ আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত ৰুকিয়া (ৰাঃ)ৰ মৃত্যুৰ পিছত হজৰত উচমান বিন আফফানৰ সৈতে নিজৰ চাহাবজাদি হজৰত উম্মে কুলছুমক বিবাহ দিছিল। হজৰত আবু হুৰাইৰা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে নবী কৰীম (ছাঃ)য়ে হজৰত উচমান (ৰাঃ)ক মছজিদৰ দৰ্জাত লগ পাই কৈছিল- হে উচমান! এইজন জিব্রাইল; এখেতে মোক খবৰ দিলে যে আল্লাহ তালা উম্মে কুলছুমৰ বিয়া ৰুকিয়াৰ সমান মোহৰাণাৰ ওপৰত আৰু তাইৰ সৈতে তোমাৰ উত্তম আচৰণৰ বাবে সম্পন্ন কৰি দিছে।

হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া নবী কৰীম (ছাঃ)য়ে হজৰত উম্মে কুলছুমৰ বিয়া হজৰত উচমান (ৰাঃ)ৰ সৈতে সম্পন্ন কৰি দিছিল তেতিয়া তেখেত (ছাঃ)য়ে উম্মে আয়মনক কৈছিল- মোৰ কন্যা উম্মে কুলছুমক সাজোন-কাচোন কৰাই উচমানৰ ঘৰত এৰি আহাঁগৈ আৰু তাইৰ সন্মুখত দাফ বজোৱা। গতিকে তাই তেনেকুৱাই কৰিছিল। হজৰত ৰছুলে কৰীম (ছাঃ)য়ে তিনি দিন পিছত হজৰত উম্মে কুলছুমৰ ওচৰত গৈছিল আৰু তাইক কৈছিল- হে মোৰ মৰমৰ জীয়ৰি তুমি তোমাৰ স্বামীক কেনেকুৱা পাইছা ? হজৰত কুলছুমে নিবেদন কৰিছিল তেওঁ বৰ উত্তম স্বামী। হজৰত উম্মে কুলছুম হজৰত উচমান (ৰাঃ)ৰ ঘৰত নৱম হিজৰী লৈকে আছিল। তাৰ পাছত তাই বেমাৰত পৰি মৃত্যু বৰণ কৰিছিল। হজৰত ৰছুলে কৰীম (ছাঃ)য়ে তাইৰ নমাজে জানাজা পঢ়াইছিল আৰু তাইৰ কবৰৰ ওচৰত বহিছিল। তেতিয়া আঁ-হজৰত (ছাঃ)ৰ চকুলো বৈ গৈছিল। আন এটা ৰিৱায়তত আছে যে আঁ-হজৰত (ছাঃ)য়ে হজৰত উম্মে কুলছুমৰ মৃত্যু হোৱাত কৈছিল- যদি মোৰ কোনো তৃতীয় জীয়েক থাকিলহেঁতেন তেন্তে মই তাইৰ বিবাহও উচমানৰ সৈতে কৰোৱাই দিলোঁহেঁতেন। হজৰত ইবনে আববাছ বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে এঠাইৰ পৰা যাওঁতে দেখিছিল যে হজৰত উচমান হজৰত উম্মে কুলছুম বিনতে ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ শোকত কান্দি আছে। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে সুধিছিল হে উচমান! তুমি কিহৰ বাবে কান্দি আছা ? হজৰত উচমান (ৰাঃ)য়ে উত্তৰত কৈছিল- হে আল্লাহৰ ৰছুল (ছাঃ) মই এই কাৰণেই কান্দি আছো যে আপোনাৰ সৈতে মোৰ জোৱাই শশুৰ সম্পৰ্ক শেষ হৈ গৈছে। আঁ-হজৰত (ছাঃ)য়ে কৈছিল যে নেকান্দিবা ! সেই সত্তাৰ কছম ! যাৰ কুদৰতৰ মুঠিত মোৰ প্ৰাণ; যদি মোৰ এশ জীয়েক থাকিলহেঁতেন আৰু এজনীৰ পিছত এজনীকৈ মৃত্যু হৈ গ'লহেঁতেন তথাপি মই এজনীৰ পিছত আন এজনীক তোমাৰ সৈতে বিয়া দিলোহেঁতেন। ইমানেই যে এশৰ ভিতৰত এজনীও বাকী নাথাকিলেহেঁতেন।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা ইনশা আল্লাহ পিছত আৰু চলিব। মই প্ৰত্যেক জুমাতেই তেহেৰিক কৰি আছো যে পাকিস্তানৰ আহমদী সকলৰ বাবে দোৱা কৰিব। বিৰুদ্ধ বাদী সকলে নিজৰ ফালৰ পৰা সকলো ধৰণৰ অপচেষ্টা চলাই আছে। কিন্তু তেওঁলোকে নাজানে যে এজন চূড়ান্ত সত্তা আছে। খোদা তা'লা এজন আছে যাৰ আধিপত্ত অবিৰাম চলি আছে তাৰ পৰিসীমাও এওঁলোকৰ ওপৰত চমু

চাপি আহি আছে আৰু যেতিয়া এই পৰিসীমা চেপি সৰু হৈ যাব তেতিয়া তাৰ হাত কোনেও সাৰিব নোৱাৰে। আল্লাহ তা'লা তেওঁলোকক বিবেক দান কৰক আৰু এওঁলোকে এতিয়াও সময় আছে; বিবেকেৰে সৈতে কাম কৰক; ন্যায় অৱলম্বন কৰক আৰু বিনা কাৰণত কৰা জুলুম অত্যাচাৰৰ পৰা আঁতৰি আহঁক। এনেদৰে আলজেৰিয়াৰ আহমদী সকলৰ বাবেও দোৱা কৰক; যাতে সিহঁতৰ ঈমান অটুট থাকে। এনেদৰে আৰু কিছুমান ঠাইত আহমদী সকলৰ বিৰোধীতা বহুত বেছি হৈ আছে। আল্লাহ তা'লা সকলো ঠাইতেই আহমদী সকলক সকলো প্ৰকাৰে নিৰাপদ ৰাখক।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম মাউলানা চুলতান মেহমুদ আনোৱাৰ চাহাব (প্ৰাক্তন নাজিৰ ইচলাহ ও ইৰশ্বাদ মৰকজিয়া ৰাবোৱা) মকৰম মাওলানা মহম্মদ উমৰ চাহাব (প্ৰাক্তন নাজিৰ ইচলাহ ও ইৰশ্বাদ মৰকজিয়া কাদিয়ান) আৰু অন্যান্য মৰহুমিন সকলৰ চমু বিৱৰণ দিয়ে আৰু নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। মাওলানা মহম্মদ উমৰ চাহাব (প্ৰাক্তন নাজিৰ ইচলাহ ও ইৰশ্বাদ মৰকজিয়া কাদিয়ান) পি,কে, ইব্ৰাহিম চাহাবৰ পুত্ৰ আছিল ২০২১ চনৰ ২১ জানুৱাৰীত এখেতৰ মৃত্যু হৈছে। মৃত্যুৰ সময়ত এখেতৰ বয়স হৈছিল ৮৭ বছৰ। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম কেৰেলাৰ পৰা আহিছিল। মাওলানা উমৰ চাহাবা ১৯৫৪ চনত কাদিয়ানলৈ আহে। তেতিয়া ভাৰত বিভাজন হোৱাৰ পিছত মাদ্ৰাছা আহমদীয়া আকৌ নতুনকৈ আৰম্ভ হৈছিল। এখেতে ১৯৫৫ চনত মাদ্ৰাছাত ভৰ্তি হৈছিল আৰু ১৯৬১ চনত মাদ্ৰাছা আহমদীয়া আৰু পঞ্জাৱ ইউনিভাৰছিটিৰ পৰা মৌলবী ফাজিল পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত এবছৰমান মাদ্ৰাছাত শিক্ষকতা কৰিছিল। ১৯৬২ চনৰ পৰা তবলিগি কামত নিয়োজিত হৈছিল। ভাৰতবৰ্ষৰ বিভিন্ন ডাঙৰ ডাঙৰ চহৰত নিজৰ কাম কৰি সুনাম অৰ্জন কৰি এজন উত্তম মোবাল্লিগ হিচাপে খ্যাতি অৰ্জন কৰিছিল। তবলিগি জলছা বিলাকত তেখেতৰ ভাষণ অৱশ্যই ৰখা হৈছিল। ইয়াদগিৰ মুনাজিৰাত তেখেতে অংশ গ্ৰহণ কৰিছিল। হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)ৰ বিশেষ অনুগ্ৰহত এখেতে কোম্বেটুৰৰ ঐতিহাসিক মুনাজিৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ) এবাৰ খোতবা জুমাত মৰহুম উমৰ চাহাবৰ কামৰ বৰ্ণনা দিওঁতে কৈছিল- আমাৰ মৌলবী মহম্মদ উমৰ চাহাব মুবাল্লিগ ছিলছিলা তেওঁক খোদা তা'লা এই বিষয়ে এক জুনুন (অতি আগ্ৰহ) প্ৰদান কৰিছে। এফালে কাণত শব্দবোৰ শুনাৰ লগে লগে সিফালে তাৰ অনুবাদ কৰি গৈছিল আৰু সেয়া জমাতক পৌছাই দিছিল। প্ৰায় এবছৰমান ফিলিস্থাইনত থাকি কাম কৰাৰ সৌভাগ্য লাভ কৰিছিল। কোৰ-আন কৰীম আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ বিভিন্ন কিতাপ আৰু পত্ৰিকা আদি মালয়ালাম আৰু তামিল ভাষালৈ অনুবাদ কৰাৰ সৌভাগ্য লভিছিল। ২০০৭ চনত যেতিয়া মই তেখেতক নাজিৰ ইচলাহ ও ইৰশ্বাদ মৰকজিয়া নিযুক্ত কৰিছিলোঁ আকৌ এডিশ্বনাল নাজিৰ ইচলাহ ও ইৰশ্বাদ তালিমুল কোৰাণ,ওৱাকফে আৰজি নিযুক্ত কৰা হৈছিল। আকৌ নায়েব নাজিৰে আলা হিচাপে খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। মাদ্ৰাছা আহমদীয়াৰ পৰা ওলাই অহাৰ পিছত সকলো মিলি মৰহুম উমৰ চাহাবে ৫৩ বছৰ কাল এই ছিলছিলাৰ খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। শ্ৰীলংকাৰ ন্যাশনাল ছদৰ চাহাবে লিখিছে যে শ্ৰীলংকা জামাতৰ আহমদীয়া ইতিহাসত সেই ভ্ৰমণ সোণালী আখৰেৰ লিখা থাকিব। হজৰত খলিফাতুল মছীহ তৃতীয় (ৰহঃ)ৰ বৰকতময় নেতৃত্বৰ সময়ত মৰহুম মাওলানা চাহাবৰ প্ৰথম মৰকজি মুবাল্লিগ হিচাপে আল্লাহ তা'লাৰ কৃপাত নিযুক্ত হৈছিল ১৯৭৮ চনত। হজৰত মছীহ মাওউদ (আঃ)ৰ চাৰিখন কিতাপ তামিল ভাষাত অনুবাদ কৰিছে আৰু বিভিন্ন বিষয়ৰ ওপৰত তামিল ভাষাত সাত খন কিতাপ ৰচনা কৰিছে। তামিলনাডুত জমাতি পত্ৰিকা ছমদানা ৱাজৰি ৰচিত কৰি এটা দীঘলীয়া সময় জুৰি তাৰ পৰা বেলেগ ৰাজ্য লৈ ছপা কৰি পঠাইছিল। আল্লাহ তা'লা মৰহুমৰ আত্মাৰ সদগতি কৰক আৰু তাৰ মৰ্যাদা উন্নীত কৰক। তেখেতৰ সন্তান-সন্ততি সকলক আনুগত্যৰ সৈতে জমাতৰ লগত সম্পৰ্ক ৰখাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 22 JANUARY 2021**

# BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**